Sl. No. 26

D–DTN–K–BTA

ASSAMESE

Paper—I

(Literature)

Time Allowed : Three Hours	Maximum Marks : 300

INSTRUCTIONS

Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.

The number of marks carried by each question is indicated at the end of the question.

Answers must be written in Assamese.

Section—A

1. যি কোনো তিনিটা প্ৰশ্ন বাছি লৈ প্ৰতিটোৰ উত্তৰ *200* (দুশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

(a) প্ৰাচীন ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা ? ইয়াৰ স্তৰকেইটা কি কি আৰু সেই স্তৰবোৰৰ মাজেদি আহি অসমীয়া ভাষাৰ কেনেকৈ উদ্ভৱ হ'ল, লিখাঁ ।

(b) অসমীয়া গদ্যৰ বিকাশত বুৰঞ্জীৰ গদ্যৰ ভূমিকা সম্পৰ্কে আলোচনা কৰি এটি টোকা লিখাঁ ।

(c) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি, বৰ্ণবিজ্ঞানৰ আধাৰত প্ৰতিষ্ঠা কৰাঁ । লগতে উচ্চাৰণ অনুসৰি ইবোৰক তালিকাভুক্ত কৰি দেখুওৱাঁ ।

Optional Province · optionalprovince.com

(d) ব্রাহ্মী লিপিৰ পৰা কুটিল লিপিৰ মাজেদি বিকশিত হৈ কেনেকৈ অসমীয়া লিপিয়ে ছপা ৰূপত আত্মপ্রকাশ কৰিলে, সেই সম্পর্কে বহলাই আলোচনা কৰাঁ ।

2. অসমীয়া ভাষাৰ ঠাই নামবাচক আৰু নদী নামবাচক শব্দ কিছুমানৰ উৎপত্তি বা উৎস দেখুৱাই এটি নিবন্ধ যুগুত কৰাঁ । 60

3. স্বার্থিক প্রত্যয় বুলিলে কি বুজা ? অসমীয়া ভাষাত তেনে স্বার্থিক প্রত্যয় কোনবোৰ, লিখাঁ আৰু সেইবোৰৰ প্রয়োগ-বৈশিষ্ট্য দেখুওৱাঁ । 60

4. অসমীয়া মান্য ভাষা আৰু কামৰূপী উপভাষাৰ মাজত থকা ধ্বনিগত, ৰূপগত আৰু শব্দগত পার্থক্যবোৰ উদাহৰণসহ দেখুৱাই এটি আলোচনা যুগুত কৰাঁ । 60

Section—B

5. যি কোনো তিনিটা প্রশ্ন বাছি লৈ প্রতিটোৰ উত্তৰ 200 (দুশ) শব্দৰ ভিতৰত লিখাঁ : 20×3=60

(a) ৰহস্যবাদ বুলিলে কি বুজা ? অসমীয়া সাহিত্যত ৰহস্যবাদ—এই শীর্ষক এক আলোচনা আগবঢ়োৱাঁ ।

(b) চর্যাপদসমূহে অসমীয়া সাহিত্যৰ কোনটো স্তৰ নির্দেশ কৰে ? চর্যাৰ ভাষাত থকা অসমীয়া ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য কেতবোৰ দেখুৱাই ইয়াৰ ভাষাক সন্ধ্যাভাষা বোলাৰ কাৰণ ব্যাখ্যা কৰাঁ ।

(c) অংকীয়া নাটৰ ৰচনাৰীতি সম্পর্কে আলোচনা কৰি এটি টোকা লিখাঁ ।

(d) জোনাকী যুগৰ সাহিত্যৰ প্রধান বৈশিষ্ট্য কি কি ? চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাত এই বৈশিষ্ট্যবোৰ কেনেদৰে প্রকাশ পাইছে, আলোচনা কৰাঁ ।

Optional Province · optionalprovince.com

6. অসমীয়া উপন্যাস-সাহিত্যৰ ইতিহাস বিৱৰি পর্যালোচনামূলক এটি টোকা লিখাঁ। 60

7. ৰামধেনু যুগৰ চুটিগল্পৰ বিষয়ে বহলাই আলোচনা কৰাঁ। 60

8. অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান—এই শীর্ষক এটি আলোচনা আগবঢ়োৱাঁ। 60

★ ★ ★

Optional Province · optionalprovince.com